## শিকনৰ ফলাফলৰ ধূসৰ ক্ষেত্ৰসমূহৰ বিকাশ সাধনৰ বাবে প্ৰস্তুত কৰা মুক্ত শৈক্ষিক সমল

**শ্ৰেণী ঃ দ্বিতীয়   বিষয় ঃ ভাষা-১ (অসমীয়া)   প্ৰথম সাময়িকী (জানুৱাৰী, ফেব্ৰুৱাৰী, মাৰ্চ), ২০১৯ ইং**

**শিকনৰ ফলাফলৰ ধূসৰ ক্ষেত্ৰ (Grey Area) - কথন আৰু পঠন (গুণোৎসৱ-২০১৭ ৰ ফলাফল অনুসৰি)**

**শিকনৰ ফলাফলৰ উপক্ষেত্ৰ ঃ**

⇨ ছবি চাই শুদ্ধকৈ কাহিনী ক'ব পাৰিব।

⇨ পূৰ্ণমাত্ৰা, অৰ্ধমাত্ৰা, মাত্ৰাহীন আখৰ চিনি পোৱা, পঢ়িব পৰা।

**শৈক্ষিক দিনপঞ্জী অনুসৰি প্ৰথম সাময়িকী (জানুৱাৰী, ফেব্ৰুৱাৰী, মাৰ্চ - ২০১৯)লৈকে সামৰা পাঠসমূহ ঃ**

| | | |
|---|---|---|
| ক) আমাৰ পঢ়াশালি | - | পাঠ নং ১ |
| খ) কেৰ্কেটুৱালৈ মৰম | - | পাঠ নং ২ |
| গ) অৰণ্যত দীপু | - | পাঠ নং ৩ |

**পাতনি ঃ**

এই সমল সামগ্ৰীত "শিক্ষাৰ অধিকাৰ আইন ২০০৯" অনুসৰি জাতি, ধৰ্ম, বৰ্ণ, লিংগ আৰু বিশেষভাৱে সক্ষম শিশু নিৰ্বিশেষে সকলো শিশুৰ প্ৰতি সম আচৰণ দেখুওৱা আৰু সকলোৰে বাবে প্ৰাথমিক শিক্ষা বাধ্যতামূলক হোৱাটো নিশ্চিত কৰাৰ প্ৰতি দৃষ্টি ৰখা হৈছে।

গুণোৎসৱৰ মূল্যায়নৰ তথ্যৰ ওপৰত ভিত্তি কৰি দেখা গৈছে যে কথন আৰু পঠন কৌশল আহৰণত প্ৰাথমিক বিদ্যালয়ৰ বহু সংখ্যক ছাত্ৰ-ছাত্ৰী এতিয়াও পাছ পৰি আছে।

অকল ভাষাই নহয়, যিকোনো বিষয় শিকিবলৈ হ'লে ছাত্ৰ-ছাত্ৰীৰ পঠন দক্ষতাৰ প্ৰয়োজন। গুণোৎসৱৰ মূল্যায়নৰ তথ্য অনুযায়ী দেখা গৈছে যে পঠন দক্ষতা আহৰণত প্ৰাথমিক বিদ্যালয়ৰ বহু সংখ্যক ছাত্ৰ-ছাত্ৰী এতিয়াও পাছ পৰি আছে। কিছু সংখ্যক ছাত্ৰ-ছাত্ৰীয়ে বৰ্ণ চিনি নাপায়, আন কিছু সংখ্যকে আকৌ স্বৰৰ মাত্ৰা সমূহৰ সহায়ত আখৰ জোঁটনি কৰি পঢ়িব নোৱাৰে, যাৰ ফলত পঠনৰ জৰিয়তে হ'ব পৰা অৰ্থবোধ ছাত্ৰ-ছাত্ৰীৰ নহয়। সেয়ে, পঠন দক্ষতা আহৰণৰ ক্ষেত্ৰত বাধা দিয়া ধূসৰ ক্ষেত্ৰ (Grey Area) সমূহ চিনি উলিয়াই ছাত্ৰ-ছাত্ৰীৰ শিকনত সহায়ক হ'ব পৰাকৈ শিকন পৰিকল্পনা আৰু ক্ৰিয়া-কলাপৰ ওপৰত গুৰুত্ব দিয়া হৈছে। ছাত্ৰ-ছাত্ৰীসকলৰ পঠনৰ বিকাশ সাধন কৰিবলৈ যোৱাৰ আগতে শুদ্ধ আৰু স্পষ্টভাৱে কথা ক'বলৈ উৎসাহিত কৰিব লাগে। লগতে চিন্তা শক্তিৰ বিকাশ হ'ব পৰাকৈ বিভিন্নধৰণৰ প্ৰশ্ন আৰু ছবিৰ সহায় ল'ব লাগিব। এইদৰেই আমি কথনৰ পৰা ছাত্ৰ-ছাত্ৰীসকলক পঠনৰ বিকাশ হ'ব পৰাকৈ ক্ৰিয়া-কলাপ আৰু অনুশীলন কৰিব পাৰিম। কিয়নো, শ্ৰৱণ আৰু কথনৰ বিকাশ হ'লেহে পঠনৰ বিকাশ সম্ভৱ হ'ব পাৰে।

**ওপৰত উল্লিখিত শিকনৰ ফলাফলসমূহৰ গুৰুত্ব অপৰিসীম ঃ**

⇨ যি কোনো এটা বিষয় শিকিবলৈ হ'ল পঠন দক্ষতাৰ প্ৰয়োজন হয়। পঠনৰ অৰ্হতা আয়ত্ত কৰোৱাৰ ক্ষেত্ৰত শ্ৰৱণ, কথনৰ ভূমিকা অপৰিসীম।

⇨ ছবি চাই কাহিনী ক'ব পৰা আৰু বিভিন্ন প্ৰশ্নৰ উত্তৰ দিব পৰা হোৱাকৈ ক্ৰিয়া-কলাপ আৰু অনুশীলন কৰিব লাগিব।

⇨ ছবিৰ পাঠ আৰু সাধু পঢ়ি বুজি পোৱাটো অকল অনুশীলনৰ দ্বাৰাহে সম্ভৱ হ'ব ।

**এই সমল সামগ্ৰীৰ পৰা শিক্ষক হিচাপে আমি কি কি শিকিব পাৰিম—**

- ➪ প্ৰয়োজনীয় ক্ৰিয়া-কলাপৰ লগত ছাত্ৰ-ছাত্ৰীক জড়িত কৰিব পাৰিম।
- ➪ সকলোকে জড়িত কৰিবলৈ পৰিৱেশ সৃষ্টি কৰিব পাৰিম।
- ➪ অবিৰত মূল্যায়নৰ যোগেদি ছাত্ৰ-ছাত্ৰীৰ বিকাশৰ লগতে আমি শিক্ষকসকলে আত্ম-মূল্যায়নৰো সুবিধা পাম আৰু উদ্ভাৱনীমূলক চিন্তা-প্ৰসূত ক্ৰিয়া-কলাপৰ অনুশীলনেৰে শ্ৰেণীকোঠা অধিক গতিশীল কৰিব পাৰিম।

**কথন আৰু পঠন কৌশল বিকাশৰ ব্যৱস্থাৱলী ঃ**

- ➪ উক্ত পাঠকেইটাত শিকনীয় দিশ বহুকেইটা আছিল যদিও আটাইকেইটা দিশ সামৰি লোৱা সম্ভৱ নহয়। সেয়েহে দুটা শিকনীয় দিশৰ ওপৰতহে এই সমল সমগ্ৰীটো প্ৰস্তুত কৰিছোঁ।

**এই সমলটোত ছাত্ৰ-ছাত্ৰীৰ সৈতে কৰিবলগীয়া শিক্ষণ-শিকন প্ৰক্ৰিয়াৰ এটা আৰ্হিমূলক ৰূপৰেখা সংক্ষেপে উপস্থাপন কৰা হ'ল —**

| মুক্ত শৈক্ষিক সমল - ভাষা (অসমীয়া) | | | | |
|---|---|---|---|---|
| **শিকনৰ ফলাফল** | **সামগ্ৰী** | **শিকন প্ৰক্ৰিয়া** | **প্ৰশ্নাৱলী** | **মূল্যায়ন** |
| ছবি চাই সাধু কোৱা | ছবি কাৰ্ড | ক্ৰিয়া-কলাপ | <br>প্ৰশ্ন ঃ ছবি চাই সাধুটো কোৱা | অবিৰত আৰু সামগ্ৰিক মূল্যায়ন |
| খ) ছবিৰ নাম কোৱা | ছবি কাৰ্ড | ক্ৰিয়া-কলাপ | প্ৰশ্ন ঃ তলৰ ছবিবোৰৰ নাম কোৱা<br>  <br> | |
| গ) সাধুটোৰ ছবি আঁকা | ছবি কাৰ্ড | ক্ৰিয়া-কলাপ | প্ৰশ্ন ঃ তলত দিয়া বুঢ়া-বুঢ়ী আৰু শিয়ালৰ সাধুটোৰ এটা দফা পঢ়ি তাৰ আলমত ছবি এখন আঁকা। | |
| ঘ) দফাৰ আলমত ছবি আঁকা | দফা কাৰ্ড | ক্ৰিয়া-কলাপ | এদিন বুঢ়াই কিছুমান কচু আনি ৰুবলৈ ধৰিছে, এনেতে কিছুমান শিয়াল আহি বুঢ়াক ক'লে, — ক'কা আপুনি কচু কেঁচাই ৰুইছে নে সিজাই ৰুইছে? বুঢ়াই উত্তৰ দিলে, — বোপাহঁত, মই কচু কেঁচাই ৰুইছোঁ। শিয়ালবোৰে বুঢ়াক ক'লে— "ককা, আপুনি কচু ৰুব জনা নাই; কচুবোৰ আগতে সিজাই তাৰ পাছতহে ৰুব লাগে। দেখিব, ৰাতিৰ ভিতৰতে একোজোপা ডাঙৰ ডাঙৰ কচু গছ হৈ আছে।' সিহঁতৰ কথা শুনি বুঢ়াই ক'লে, — "বাৰু বোপাহঁত, তহঁতৰ কথামতেই মই কচু ৰুম।" | |

**ক্ষেত্ৰ অধ্যয়ন ঃ** (Case Study)

কবিতা শইকীয়া মৰিগাঁও জিলাৰ এখন গাঁৱৰ প্ৰাথমিক বিদ্যালয়ৰ দ্বিতীয় শ্ৰেণীত পাঠদান কৰা এগৰাকী শিক্ষয়িত্ৰী। শ্ৰেণী কোঠাত ছাত্ৰ-ছাত্ৰীসকলক কথনৰ বাবে উৎসাহিত কৰিবলৈ তেখেতে কিছুমান পৰিচিত ছবিৰ সহায় লৈছিল।

মই অনুভৱ কৰিছিলোঁ যে ছাত্ৰ-ছাত্ৰীসকলৰ পঠনৰ বিকাশ কৰিবলৈ হ'লে, প্ৰথমতে তেওঁলোকৰ মাজত কথনত উদগনি দিবই লাগিব। শুদ্ধ আৰু স্পষ্ট উচ্চাৰণেৰে যি কোনো ছবি চাই কাহিনী ক'ব পৰা হ'লে পাছত পঠনৰ অৰ্হতা বিকাশ কৰাবলৈ সহজ হ'ব। সেয়ে মই দুখন ছবিৰ সহায় লৈছিলোঁ। ছাত্ৰ-ছাত্ৰীক কথা ক'বলৈ উৎসাহিত কৰিবৰ বাবে মই ছবিবোৰ স্থানীয় শিল্পীৰ দ্বাৰা ডাঙৰকৈ চাৰ্ট পেপাৰত আঁকি বেৰত আৰি থ'ব পৰাকৈ বনাই লৈছিলোঁ। এখন ছবি হ'ল 'মোৰ গাওঁ' আৰু আনখন হ'ল বিদ্যালয়ৰ 'খেলপথাৰ'।

মই ছাত্ৰ-ছাত্ৰীসকলক ছবি চাই চিন্তা কৰিবৰ বাবে দুখন ছবি বেৰত আৰি দিলোঁ। মই তেওঁলোকক ছবি দুখনৰ সম্পৰ্কে একো কোৱা নাই, কিন্তু ছাত্ৰ-ছাত্ৰীসকলে ছবি দুখন চাইছে। পাছদিনা লক্ষ্য কৰিলোঁ যে মোৰ ছাত্ৰ-ছাত্ৰীসকলে ছবি দুখনৰ সম্পৰ্কে কথা পাতিছে আৰু তাত থকা বস্তুবোৰৰ বিষয়ে তেওঁলোকৰ মাজত আলোচনা হৈছে। তাৰ পাছৰ দিনাখন প্ৰায় ৩০ মিনিট সময় ছবি দুখনৰ বিষয়ে মই ছাত্ৰ-ছাত্ৰীৰ লগত আলোচনা কৰিলোঁ। কেতিয়াবা মই ছাত্ৰ-ছাত্ৰীসকলক এই কামৰ বাবে বাহিৰলৈ লৈ যাওঁ।

মই আগতীয়াকৈ বহুতো প্ৰশ্নৰ তালিকা প্ৰস্তুত কৰিছিলোঁ। কিছুমান প্ৰশ্নৰ উদ্দেশ্য আছিল সহজ-সৰল, বৰ্ণনাবোৰ ছাত্ৰ-ছাত্ৰীয়ে দিব পৰা আৰু আনবোৰ প্ৰশ্নৰ উদ্দেশ্য হ'ল অধিক উদ্‌ঘাটনমূলক, যত ছাত্ৰ-ছাত্ৰীৰ যুক্তি-যুক্ততা আদি অনুমান কৰিব পৰা আৰু প্ৰত্যেকেৰে নিজৰ অভিজ্ঞতাৰে ক'ব পৰা, উদাহৰণ স্বৰূপে —

- ➩ এইখন কিহৰ ছবি?
- ➩ এই ছবিখনত কি দেখিছা তুমি বৰ্ণনা কৰিব পাৰিবানে?
- ➩ মানুহবোৰে কি কৰিছে?
- ➩ তুমি কেতিয়াবা এইবোৰ খেল খেলিছানে? এই খেলবোৰ কেনেকৈ খেলিব পাৰি বুজাই দিব পাৰিবানে?
- ➩ তোমালোকৰ গাঁৱৰ মানুহে কি খেতি কৰে?
- ➩ খেতিৰ পৰা হোৱা কোনবিধ আহাৰ তোমাৰ আটাইতকৈ প্ৰিয়? কেনেকৈ সেই আহাৰ তৈয়াৰ কৰে?
- ➩ ছবি দুখনৰ ভিতৰত কোনখন ছবি বেছি ভাল লাগিল আৰু কিয়, কোৱা?

মই প্ৰতিজন ছাত্ৰ-ছাত্ৰীয়ে যি কয় মনোযোগেৰে কোনো শুধৰণি বা বাধা নিদিয়াকৈ শুনোঁ। তেওঁলোকৰ জ্ঞান আৰু অভিজ্ঞতাৰে তেওঁলোকে কি দেখিছে, কি কল্পনা কৰিছে, কথনৰ যোগেদি তাকো প্ৰকাশ পায়। মই তেতিয়াই উপলব্ধি কৰিছিলোঁ যে, পৰ্যৱেক্ষণ কৰি তেওঁলোকৰ দৃষ্টিৰে বহু কথা ক'ব পাৰিছে।

মই মন কৰিছিলোঁ যে ছাত্ৰ-ছাত্ৰীৰ ছবি চাই কথা ক'বলৈ কৌতুহল বাঢ়িছিল। তেওঁলোকক মই উৎসাহিত কৰোঁ আৰু এইটোৱে মোক তেওঁলোকৰ দক্ষতাৰ মান নিৰূপণ কৰাত সহায় কৰে।

কেইজনমান ছাত্ৰ-ছাত্ৰী কথা কোৱাৰ ক্ষেত্ৰত বৰ লাজকুৰীয়া আছিল। কিন্তু তেওঁলোকে লগৰ সহপাঠীবোৰৰ কথা বৰ মনোযোগেৰে শুনিছিল। মই তেওঁলোকক সহজ প্ৰশ্ন কিছুমান সুধিছিলোঁ, যাতে উত্তৰ দিব পাৰে।

***বিঃ দ্ৰঃ- কবিতা শইকীয়াই শ্ৰেণীকোঠাত ক্ৰিয়া-কলাপ সমূহ কৰোঁতে বিশেষভাৱে সক্ষম ছাত্ৰ-ছাত্ৰীসকলক বিশেষ গুৰুত্ব প্ৰদান কৰিছিল।***

**চিন্তা কৰি চাওঁ আহক ঃ**

- ➩ কবিতা শইকীয়াৰ কোনবোৰ প্ৰশ্নই ছাত্ৰ-ছাত্ৰীক অনুসন্ধানমূলক কথনৰ বাবে উৎসাহিত কৰে?
- ➩ সকলো ছাত্ৰ-ছাত্ৰী কাৰ্যটোত যে জড়িত হৈছে, সেই কথাত তেওঁ কেনেকৈ নিশ্চিত হ'ব?
- ➩ কবিতা শইকীয়াই ছাত্ৰ-ছাত্ৰীসকলক কথা কওঁতে আৰু শুনোতা হিচাপে মূল্যায়ন কৰিবলৈ কি সুবিধা পাইছে।

ওপৰত বৰ্ণনা কৰা ক্ৰিয়া-কলাপৰ আলমত তলত দিয়া ধৰণে আমি আমাৰ শ্ৰেণীকোঠাত পাঠভিত্তিক ক্ৰিয়া-কলাপ কৰি চাওঁ আহক —

**ক্ৰিয়া-কলাপ ঃ**

**আহিলা ঃ** সাধুৰ খণ্ড খণ্ড ছবি কাৰ্ড আৰু সাধুৰ দফা কাৰ্ড।

ছাত্ৰ-ছাত্ৰীক পঢ়িবলৈ উৎসাহিত কৰিবলৈ সাধুটোৰ প্ৰতিটো দফাৰে একোখনকৈ কাৰ্ড দলত পঢ়িবলৈ দিব। দফাটো পঢ়াৰ পাছত ছাত্ৰ-ছাত্ৰীসকলে দফাটোৰ লগত মিলাই শিকন কোণত থোৱা সাধুটোৰ ছবিবোৰ দফাৰ লগত মিলাই বিচাৰি আনিব। প্ৰতিটো দলে সাধুটোৰ লগত ছবি কাৰ্ডখন মিলাই চোৱাৰ পাছত আন দলৰ লগত সলনা-সলনি কৰিব, যাতে প্ৰতিটো দলে প্ৰতিটো দফা পঢ়িবলৈ পায় আৰু ছবিকাৰ্ড সমূহ নিৰীক্ষণ কৰিব পাৰে। এতিয়া দলত আলোচনা কৰি সাধুটো ক্ৰমত সজাই ক'ব আৰু প্ৰতিটো দলে সাধুটোৰ বিষয়ে একোখনকৈ ছবি আঁকি বেৰত আৰি দিব। শিক্ষকে আগতীয়াকৈ প্ৰস্তুত কৰি ৰখা সাধুটোৰ ছবি বেৰত ওলোমাই দিব আৰু ছাত্ৰ-ছাত্ৰীসকলে ছবিকেইখন চাই ভালদৰে নিৰীক্ষণ কৰি সাধুটো ক'ব। ভুল হ'লে শিক্ষকে সহায় কৰিব। এইদৰে দুৰ্বল ছাত্ৰ-ছাত্ৰীসকলক পুনৰ বুজাই দিলে তেওঁলোকে সাধুটো ছবি চাই ক'বলৈ চেষ্টা কৰিব। সাধুটোৰ দফাসমূহ এনেকুৱা ধৰণৰ —

- ➪ কাজল আৰু মাধৱ দুয়ো নলেগলে লগা বন্ধু আছিল। সিহঁতৰ গাওঁখনৰ ওচৰত এটা পুখুৰী আছিল। পুখুৰীটোত পানী কম আছিল। দুয়ো সদায় পুখুৰীৰ পাৰলৈ খেলিবলৈ যায়।
- ➪ এদিন দুপৰীয়া দুয়ো পুখুৰীৰ পাৰলৈ খেলিবলৈ গৈছিল। পুখুৰীত বহুতো বগলী পৰি থকা দেখিবলৈ পালে। গোটেই পুখুৰীটো বগলীৰে ভৰি আছিল।
- ➪ কাজল আৰু মাধৱে ইমানবিলাক বগলী দেখি আনন্দ পালে। দুয়োটা জপিয়াই জপিয়াই বগলী জাকৰ ওচৰলৈ গ'ল। সিঁহতে বগলী ধৰিবলৈ চেষ্টা কৰিলে।
- ➪ পাছৰ দিনা কাজলহঁতৰ লগত সিহঁতৰ কুকুৰ জিমিও গৈছিল। জিমিয়ে বগলীৰ জাকটো দেখি ভুকিবলৈ ধৰিলে। কাজলে জিমিক মৰমেৰে নুভুকাকৈ ৰাখিবলৈ চেষ্টা কৰিলে।
- ➪ জিমিয়ে কিন্তু ভুকিবলৈ বন্ধ কৰা নাছিল। সি বগলী জাকৰ ফালে খেদি যাবলৈহে চেষ্টা কৰিছিল। কাজলে জিমিক ৰখাবলৈ মৰমেৰে কোলাত তুলি ল'লে।
- ➪ মাধৱ আৰু কাজলে জিমিক ঘৰত থৈ আহিল। সিঁহতে পুখুৰীৰ পাৰৰ গছ বিলাকৰ ওপৰত কিছুমান বাহ দেখিবলৈ পালে। এই বাহ বিলাক বগলীজাকে বনাইছিল।
- ➪ বগলীৰ বাহটো খেৰ-কুটা, চৰাইৰ পাখি আৰু ঘাঁহেৰে তৈয়াৰী। বাহটোত কণী কেইটামান আছিল। সিহঁতে সদায় কণীকেইটা দূৰৈৰ পৰা চাই থাকে।
- ➪ এইদৰে সদায় সিহঁত কণীকেইটা এবাৰ চাবলৈ আহে। প্ৰতিটো বাহতে তিনি-চাৰিটামানকৈ কণী আছিল। কণীকেইটা পাতল নীলা ৰঙৰ আছিল।
- ➪ কেইদিনমানৰ পাছত কণীকেইটাৰ ৰং সলনি হৈ মটিয়া ৰঙৰ হ'ল। কণীকেইটাৰ পৰা সৰু সৰু পোৱালী ওলাই আহিল। বগলীৰ পোৱালী বিলাকে সৰু সৰুকৈ মাত মাতিলে আৰু পাখিবোৰ মাৰিবলৈ ধৰিলে।
- ➪ পোৱালী বগলীকেইটাক মাকে খোৱা-বস্তু আনি ঠোঁটেৰে খুৱাই দিছিল। কাজল আৰু মাধৱে এইবোৰ দেখি বৰ আনন্দ অনুভৱ কৰিছিল।







➩ লাহে লাহে বগলীৰ পোৱালীবিলাক বাহৰ পৰা বাহিৰলৈ আহিব পৰা হ'ল। পুখুৰীটো বগলীৰে ভৰি পৰিল। কাজলহঁতে বগলীৰ পাছে পাছে দৌৰিবলৈ ধৰিলে।

➩ বগলীৰ পোৱালীকেইটা লাহে লাহে ডাঙৰ হৈ মাকহতঁৰ লগত পুখুৰীৰ পৰা মাছ আৰু ভেকুলী ধৰি খাব পৰা হ'ল। এদিন সিহঁত সেই পুখুৰীটো এৰি আন ঠাইলৈ উৰি গুছি গ'ল।

➩ কাজল, মাধৱ আৰু জিমি পুখুৰীৰ পাৰত খেলিবলৈ আহিল। সেইদিনা কিন্তু পুখুৰীত এটাও বগলী নাছিল।

ছাত্ৰ-ছাত্ৰীসকলে ক্ৰিয়া-কলাপটোত অতি উৎসাহ আৰু আনন্দেৰে অংশগ্ৰহণ কৰালৈ লক্ষ্য ৰাখি শিক্ষকে আন এটা সাধু ক'লে। "বুঢ়ীআইৰ সাধু" পুথিখনৰ "বুঢ়া-বুঢ়ী আৰু শিয়াল"ৰ সাধুটো কোৱাৰ পাছত সাধুটোৰ সম্পৰ্কে বিভিন্ন প্ৰশ্ন সুধি ছাত্ৰ-ছাত্ৰীক সাধুটোৰ বিষয়বস্তু সম্পৰ্কে এখন ছবি আঁকিবলৈ দিলে।

## সাৰাংশ

➩ ছাত্ৰ-ছাত্ৰীৰ শ্ৰৱণ আৰু কথনত থকা দুৰ্বলতাসমূহ দূৰ কৰিবলৈ যথেষ্ট ক্ৰিয়া-কলাপ আৰু অনুশীলনৰ প্ৰয়োজন। শ্ৰৱণ, কথনৰ বিকাশ সাধন হ'লেহে ছাত্ৰ-ছাত্ৰীৰ পঠন দক্ষতা বৃদ্ধি কৰিব পৰা হ'ব।

➩ এই গোটটোত ছবি চাই কাহিনী কোৱাৰ লগতে সহজ সৰল সাধু পঢ়িব পৰাৰ প্ৰতি আগ্ৰহান্বিত হ'ব।

➩ ছাত্ৰ-ছাত্ৰীৰ পঠনত থকা দুৰ্বলতা দূৰীকৰণৰ বাবে শিক্ষকৰ নিজৰ উদ্ভাৱনীমূলক ক্ৰিয়া-কলাপ সমূহেৰে শ্ৰেণীকোঠাৰ কাৰ্যসমূহ অধিক গতিশীল কৰি তুলিব পাৰিব।

**দৃঢ়ীকৰণ ঃ**

ছাত্ৰ-ছাত্ৰীৰ শিকনৰ দৃঢ়ীকৰণৰ বাবে তলত দিয়া প্ৰশ্নবোৰ কৰি চাওঁচোন —

প্ৰশ্ন ঃ তলৰ ছবিকেইখনৰ ভিতৰত কোনখন ছবি তোমাৰ ভাল লাগিছে।







**<u>সাধু ঃ বুঢ়া-বুঢ়ী আৰু শিয়াল</u>**

এহাল বুঢ়া-বুঢ়ী আছিল। এদিন বুঢ়াই কিছুমান কচু আনি ৰুবলৈ ধৰিছে, এনেতে কিছুমান শিয়াল আহি বুঢ়াক মাত লগালে, — "ককা, আপুনি কচু কেঁচাই ৰুইছে নে সিজাই ৰুইছে?" বুঢ়াই উত্তৰ দিলে, — "বোপাহঁত, মই কচু কেঁচাই ৰুইছোঁ। শিয়ালবোৰে বুঢ়াৰ কথা শুনি বুঢ়াক ক'লে, — "ককা, আপুনি কচু ৰুব জনা নাই। কচুবোৰ সিজাই লওক আৰু য'ত ৰুব, গাঁতটো ঢাকি থ'ব । দেখিব, ৰাতিৰ ভিতৰতে একোজোপা ডাঙৰ ডাঙৰ কচু গছ হৈ আছে। সিহঁতৰ কথা শুনি বুঢ়াই ক'লে, — "বাৰু বোপাহঁত, তহঁতৰ কথামতেই মই কচু ৰুম।"

গধুলি বুঢ়াই আটাইবোৰ কচু সিজাই শিয়ালৰ বুধিমতে ৰুই থ'লে। ৰাতি শিয়ালবোৰে আহি সিজোৱা কচুবোৰ আনন্দ কৰি খাই গুচি গ'ল। পিচদিনা বুঢ়াই ৰাতিপুৱাই কচুবাৰীত কচু চাবলৈ গৈ দেখে যে কচু এটাও নাই। তেতিয়া বুঢ়াই শিয়ালৰ ফাঁকিটো বুজি লাজতে তলমূৰকৈ বহিল।

কিছুদিনৰ মূৰত বুঢ়াই এটা বুধি সাজি বুঢ়ীক ক'লে, —"বুঢ়ী, আজি তই মোৰ গাত কিছুমান লালী-গুৰ ঢালি থ। গুড়ৰ গোন্ধত যেতিয়া জাকে জাকে মাখি আহি মোৰ গাত পৰিব, তেতিয়াই তই ইনাই-বিনাই 'বুঢ়া মৰিল' বুলি কান্দিবি। তোৰ কান্দোন শুনি শিয়ালবোৰে ওচৰ চাপি আহি কি হৈছে বুলি তোক সুধিলেই তই সিহঁতক বুঢ়া মৰিল বুলি কৈ মোৰ শটো ঘৰৰ ভিতৰৰ পৰা উলিয়াই লৈ গৈ খাবলৈ কবি। মোৰ ওচৰতে টাঙোন এডাল লুকাই থ'বি। সিহঁতে মোক উলিয়াই নিবলৈ ঘৰৰ ভিতৰ সোমালেই তই লাহেকৈ দুবাৰখন জপাই দিবি। তেতিয়াই মই টাঙোন ডাল লৈ সিহঁতক কোৱাই মাৰিম।" বুঢ়াৰ কথা মতেই বুঢ়ীয়ে কৰিলে আৰু শিয়ালবোৰে ৰং মনেৰে বুঢ়াক নিবলৈ বুলি ঘৰৰ ভিতৰ সোমালত বুঢ়ীয়ে দুবাৰখন মাৰি দিলে আৰু বুঢ়াই একেচাতেই উঠি টাঙোনডাল হাতত লৈ শিয়ালবোৰক মৰিয়াই মাৰিলে; মাত্ৰ সিহঁতৰ ভিতৰত চাৰিটা শিয়াল কেনেবাকৈ পলাই সাৰিল।

কিছুদিনৰ মুৰত এদিন বুঢ়ীয়ে জীয়েকৰ ঘৰলৈ যাবলৈ মন কৰি বুঢ়াক ক'লে, —"মই ভালেমান দিন শিয়ালৰ ভয়ত ক'লৈকো যোৱা নাই; জী-জনীৰ ঘৰলৈ গৈ এবাৰ তাইক চাই আহোঁ গৈ। বুঢ়াই ক'লে — "বুঢ়ী, তই গ'লে বাটত শিয়ালবোৰে তোক অকলে পাই খাই পেলাব।" বুঢ়ীয়ে বুঢ়াৰ কথা নুশুনি জীয়েকৰ ঘৰলৈ বুলি গ'ল। বাটত শিয়ালবোৰে বুঢ়ীক অকলে পাই বেঢ়ি ধৰি ক'লে — "বুঢ়ী, তোক আজি নেৰোঁ,খাম। বুঢ়ীয়ে উত্তৰ দিলে, —"খাব বিচাৰিছ যেতিয়া খাবি, কিন্তু মই ভালেমান দিন মোৰ ছোৱালীজনী দেখা পোৱা

নাই, মনটো বেয়া লাগি আছে। সেই দেখি মৰাৰ আগেয়ে তাইক এবাৰ চাই লওঁ। গতিকে উভতি আহোঁতে তহঁতে মোক খাবি।” বুঢ়ীৰ কথাত পতিয়ন গৈ সিহঁতে বুঢ়ীক এৰি দিলত বুঢ়ী জীয়েকৰ ঘৰ পালেগৈ। জীয়েকৰ ঘৰত কিছুদিন থকাৰ পিচত বুঢ়ী উভতি আহিবলৈ বুলি জীয়েকক শিয়ালবোৰৰ সৈতে হোৱা কথাবোৰ ক'লে বুঢ়ীৰ কথা শুনি জীয়েকে ক'লে —“আহ, মোৰ ঘৰত এটা ডাঙৰ লাওৰ খোলা আছে, তুমি তাৰ ভিতৰতে সোমাই বাগৰি বাগৰি ঘৰ পাবাগৈ, শিয়ালে তোমাক নেদেখে” বুঢ়ীয়ে জীয়েকৰ কথা মতে বাগৰি গৈ থাকোঁতে শিয়ালবোৰে লাওটো আচৰিত হৈ লথিয়াই লথিয়াই ভাঙি পেলালে। বুঢ়ী ওলাই পৰিল। সিহঁতে বুঢ়ীক দেখি আনন্দতে “খেক্-খেক্ হোৱা-হোৱা” তোক আজি খামহঁক। বুঢ়ীয়ে ক'লে, খাব খুজিছ খাবি বাৰু, কিন্তু মই ছোৱালীৰ ঘৰত এটা সুন্দৰ নতুন নাচ শিকি আহিছোঁ। মই মৰিলে মোৰ নাচটো মোৰ লগতে যাব। গতিকে তহঁতকে দেখুৱাওঁ তাৰ পিচত খাবি।” শিয়ালে বুঢ়ীৰ নাচ চোৱাৰ লোভ সামৰিব নোৱাৰি মান্তি হ'ল। “মই নাম লগাই দিওঁ, তহঁতে ‘হয় হয়’ কৰি যাবি। তেহে মোৰ গাটো উঠিব। বুঢ়ীয়ে পাক দি নাচি নাচি নাম ধৰিলে — “ৰঙা ঔচ্ ! ক'লা ঔচ্!” লগে লগে ৰঙা আৰু ক'লা কুকুৰ দুটা তাতে ওলালহি। কুকুৰ দুটা দেখিয়েই শিয়ালবোৰ পিয়াপি দি পলাল আৰু আমাৰ বুঢ়ী ঘৰলৈ গুচি আহিল।

**(বিঃ দ্রঃ - লক্ষ্মীনাথ বেজবৰুৱাদেৱৰ এই সাধুটো হুবহু তুলি দিয়া নাই। সাধুটো থূলমূলকৈ বৰ্ণনা কৰা হৈছে।)**

প্ৰশ্ন ঃ তোমাৰ বিদ্যালয়খনৰ বিষয়ে কেইশাৰীমান বাক্য লিখা।

প্ৰশ্ন ঃ তুমি জনা সাধু এটাৰ আলমত ছবি এখন আঁকা।

**ছাত্ৰ-ছাত্ৰীৰ বাবে অনুশীলন ঃ**

প্ৰশ্ন ঃ তোমাৰ গাঁওখনৰ নাম কি?

প্ৰশ্ন ঃ তোমাৰ অঞ্চলত পালন কৰা এটা উৎসৱৰ নাম লিখা।

প্ৰশ্ন ঃ তোমাৰ নামৰ মাজৰ আখৰটো কি? সেই আখৰেৰে দুটা শব্দ কোৱা।

প্ৰশ্ন ঃ ‘অৰণ্যত দীপু’ পাঠটোত থকা প্ৰাণীবিলাকৰ নাম কোৱা।

প্ৰশ্ন ঃ ছবি চাই নাম ক'ব —







**প্ৰসঙ্গ পুথি ঃ**

- ⇨ পাঠ্যপুথি — অংকুৰণ (দ্বিতীয় শ্ৰেণী)
- ⇨ বুঢ়ী আইৰ সাধু — লক্ষ্মীনাথ বেজবৰুৱা।
- ⇨ চন্দ্ৰকান্ত অভিধান।

******